

অধ্যায় ১১

# সংগীত আৰু সমাজ

উদ্দেশ্য: গীতত বদ্ধমূল ধাৰণা সমূহ শুনা আৰু বিকল্প সৃষ্টি কৰাৰ চেষ্টা কৰা।

সামাজিক বাৰ্তাৰ বাবে সংগীতৰ ব্যৱহাৰ কৰিব পাৰি। স্বাধীনতা সংগ্ৰামৰ সময়ত, আমাৰ নেতাসকলে ব্ৰিটিছৰ বিৰুদ্ধে মানুহক একত্ৰিত কৰিবলৈ সংগীতৰ ব্যৱহাৰ কৰিছিল।

## কাৰ্য্য ১: সংহতিৰ গীত!

আমাৰ জাতীয় সংগীতটি হৈছে ভাৰতৰ বৈচিত্ৰ্যৰ প্ৰতিফলন!



নবেল বঁটা বিজয়ী ৰবিন্দ্ৰনাথ ঠাকুৰ প্ৰথম ভাৰতীয় তথা অনা-ইউৰোপীয় যিয়ে গীতৰ বদ্ধমূলতা ভাঙি ১৯১৩ চনত সাহিত্যৰ নবেল বঁটা লাভ কৰিছিল। জাতীয় সংগীতটি সংস্কৃতিনিষ্ঠ বাংলাত ৰচনা কৰা হৈছিল। ই ভাৰতৰ বিশাল তথা বৈচিত্ৰময় ভৌগোলিক পটভূমিৰ ওপৰত আলোকপাত কৰে।

- গীতটোৰ কথা আৰু অৰ্থ বুজি লোৱা আৰু ই কেনেদৰে ভাৰতৰ বৈচিত্ৰ্যতাৰ উদযাপন কৰে তাৰ ওপৰত চিন্তা কৰা।
- ৰচনাটোৱে গীতটোক কেনেদৰে ৰাজকীয় অনুভৱ কৰোৱাই বিশ্লেষণ কৰা।
- গানটোৱে ইয়াৰ শব্দ আৰু সংগীত দুয়োটাৰে দ্বাৰা উদ্দীপিত কৰা আৱেগৰ বিষয়ে আলোচনা কৰা।

## কাৰ্য্য ২: আমাৰ শিপা

তুমি নিশ্চয় বেদ আৰু উপনিষদ আদি প্ৰাচীন গ্ৰন্থসমূহৰ বিষয়ে শুনিছা। সেই সমূহে আমি ইজনে সিজনৰ পৰা পাৰ্থক্য স্বত্বৰেও দয়ালু, সত্যবাদী আৰু প্ৰেমময় হ'বলৈ অনুপ্ৰাণিত কৰে।

স্বামী বিবেকানন্দৰো প্ৰিয় কঠোপনিশদৰ এই অনুপ্ৰেৰণামূলক শ্লোকটো গাবলৈ শিকা আৰু চোৱা।

0680CH11

© NCERT not to be republished

**সম্প্ৰসাৰিত কাৰ্য্য**

এই গীতবোৰে কি বদ্ধমূল ধাৰণাসমূহক কি শক্তিশালী কৰে?

গুড়িয়া ৰাণী, বিটিয়া ৰাণী

পৰীওঁ কি নগৰী সে এক দিন ৰাজকুঁৱৰ জী আয়েঙ্গে মহলোঁ মেঁ লে জায়েঙ্গে

**অনুবাদ:** মোৰ ৰাজকুমাৰী পুতলাটিক এদিন সুদৰ্শন ৰাজকুমাৰ আহি তেওঁৰ প্ৰাসাদলৈ লৈ যাব।

যশোমতী মাইয়া সে বোলে নন্দলালা,

ৰাধা ক্যুঁ গোৰী মে ক্যুঁ কালা

**অনুবাদ:** নন্দলালা কৃষ্ণই যশোদাক সুধিলে, মই কিয় ক'লা আৰু ৰাধা কিয় বগা?

তুমি তোমাৰ মাতৃভাষাৰ এটি গীত মনত পেলাব পাৰিবানে যিয়ে এটা বদ্ধমূলতাক শক্তিশালী কৰে? মূল গীতবোৰ লিখা আৰু তুমি সেইবোৰ কেনেদৰে সলনি কৰিব সেয়া ভাগ বতৰা কৰা।

*উত্তিষ্ঠত জাগ্ৰত*
*উত্তিষ্ঠত জাগ্ৰত*
*প্ৰাপ্য ৱৰান নিৰোধত,*
*খুৰস্য ধাৰা নিশিতা*
*দূৰত্যয়া দূৰ্গং পথস্তাত*
*কৱয়ো ৱদন্তি*

## শুনা আৰু সঁহাৰি দিয়া

এতিয়া এই গীতটোলৈ শুনা। ই কেনে অনুভূতিৰ সৃষ্টি কৰে?

## কাৰ্য্য ৩: পৰিৱৰ্তনটি তুমি হোৱা!

শুনা আৰু এই গানটো শিকা তথা তুমি কেনেদৰে এজন মহানায়ক হ'ব পাৰা আৰু ইতিবাচক পৰিৱৰ্তন আনিব পাৰা সেই বিষয়ে চিন্তা কৰা।



"উঠা! জাগা! আৰু লক্ষ্যত উপনীত নহোৱা পৰ্য্যন্ত থমকি নৰবা।"

**— স্বামী ৱিৱেকানন্দ**

## কাৰ্য ৪: বদ্ধমূলতা

সংগীতক বদ্ধমূলতা সৃষ্টি কৰিবলৈও ব্যৱহাৰ কৰিব পৰা যায়। বদ্ধমূলতাবোৰে সংস্কৃতি, জাতি, ৰং, লিংগ বা অন্যান্য কাৰকৰ ওপৰত আধাৰিত পূৰ্বধাৰণা বা সাধাৰণীকৰণক বুজায়। কিন্তু তুমি ইয়াক সলনি কৰিব পাৰা!

নিম্নলিখিত গানটো শুনা আৰু যদি তুমি ভাষাটোৰ সৈতে পৰিচিত নহয়, অনুবাদটো পঢ়া:

বাবুৱা কি মুৰ্গী
বাবুৱা কি মুৰ্গী বোলে না?
বাবুৱা কা মুৰ্গা কুকড়ু কু
বাবুৱা কি মুৰ্গী ৰুথ গয়ী
না মানো মাই না মানো
বাবুৱা কা মুৰ্গা অকড়ে ?
উস্কে সৰ পৰ কল্গী হয়
জিস্কে সৰ পৰ নহি
ৱো বেচাৰী মুৰ্গী হে

**অনুবাদ**

বাবুৱাৰ মুৰ্গীয়ে কথা নহয়,
বাবুৱাৰ কুকুৰাটোৱে কুকুৰুকু কৰে!
বাবুৱাৰ কুকুৰাটোৰ খং, মই নামানো, মই নামানো, বাবুৱাৰ কুকুৰাৰ কিহৰ দম্ভ?
তাৰ মূৰত টিকনি আছে, যাৰ মূৰত মুকুট নাই, তাই বেচেৰী কুকুৰা হয় ।

© NCERT not to be republished

তুমি ওপৰোক্ত গানটো সলনি কৰাৰ এটা উপায় হ'ল:
বাবুৱা কি মূৰ্গ্‌ কুঁ খুস হে, কুঁ খুস হে? ক্যাকি অণ্ডা দেতিঁ হে!

**অনুবাদ:** বাবুৱাৰ কুকুৰাটো কিয় সুখী? কাৰণ তাই কণী দিয়ে!

সংগীতে মানুহক একত্ৰিত কৰাত সহায় কৰে কিন্তু ই বদ্ধমূলতাৰ সৃষ্টিও কৰিব পাৰে। তোমাক বিকশিত কৰা এটি গীত বিচাৰি উলিওৱা। শিকা আৰু তোমাৰ বন্ধুক শিকোৱা। তোমাক অনুপ্ৰাণিত কৰা গীতৰ সৈতে এখন কিতাপ নিৰ্মাণ কৰাৰ কথা বিবেচনা কৰা।





© NCERT not to be republished